**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 31-08-2026**
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***
*:::::::::::::::::::::::::::::::::::*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কিৰ্গিস্তানৰ ৰাষ্ট্ৰপতি চাদিয়ৰ জাপাৰভৰ সৈতে বিস্কেকত এখন বৈঠকত অংশগ্ৰহণ কৰে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত কাইলৈ ১৬ টা প্ৰতিৰক্ষা খণ্ডৰ ৰাজহুৱা উদ্যোগৰ বাৰ্ষিক পাৰদৰ্শিতা পৰ্যালোচনা কৰিব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথমছোৱাত দেশৰ মুঠ ঘৰুৱা উৎপাদন ৭ দশমিক ৮ শতাংশ হোৱাটো অভূতপূৰ্ব সাফল্য বুলি উল্লেখ কৰিছে।

৪। ভাৰতীয় টেবল টেনিছ খেলুৱৈ অংকুৰ ভট্টাচাৰ্যই চেকিয়াত অনুষ্ঠিত ডব্লিউ টি টি ফীডাৰ টেবল টেনিছ প্ৰতিযোগিতাত ডব্লিউ টি টি পুৰুষৰ খিতাপ অৰ্জন কৰে। *আৰু*

৫। ইউ এছ অপেনত ২৪ বাৰৰ গ্ৰেণ্ডশ্লেম বিজয়ী নভাক জক'ভিচে পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডতে পৰাজয় বৰণ কৰি প্ৰতিযোগিতাৰ পৰা বিদায় লৈছে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কিৰ্গিস্তানৰ ৰাষ্ট্ৰপতি চাদিয়ৰ জাপাৰভৰ সৈতে বিস্কেকত এখন বৈঠকত অংশগ্ৰহণ কৰে। দুয়োজন নেতাই দ্বিপাক্ষিক সম্পৰ্কত হোৱা সাফল্যৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে আৰু কিৰ্গিজ গণৰাজ্য আৰু ভাৰতৰ সৈতে থকা কৌশলগত অংশীদাৰিত্বক আৰু অধিক সুদৃঢ় কৰাৰ সংকল্পক দোঁহাৰে। তেওঁলোকে অৰ্থনৈতিক আৰু বাণিজ্যিক সহযোগিতা বৃদ্ধি কৰাটো সন্মত হয়। তেওঁলোকে শিক্ষাৰ্থী বিনিময় আৰু সাংস্কৃতিক সহযোগিতাৰ জৰিয়তে বৰ্ধিত নাগৰিক সম্পৰ্কৰ বিষয়ে আলোচনা কৰে। উল্লেখযোগ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে প্ৰধানমন্ত্ৰী মোদী কিৰ্গিস্তানলৈ গৈছে। এই বৈঠকৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে আজি বিস্কেকত চলি থকা চাংহাই সহযোগিতা সংস্থাৰ বৈঠকৰ আহৰি ইৰাণৰ ৰাষ্ট্ৰপতি মাচোদ পেজেশ কিয়ানৰ সৈতে এখন বৈঠকত মিলিত হয়। দুয়োজন নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন বিষয় লৈ আলোচনা কৰে। পশ্চিম এছিয়া অঞ্চলত শেহতীয়া ঘটনাপ্ৰবাহৰ বিষয়েও দুয়োজন নেতাই আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰতৰ দৃঢ়স্থিতিত দোহাৰি কয় যে সকলো বিষয় বাৰ্তালাপ আৰু কূটনীতিৰে সমাধান হোৱাটো উচিত। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে বিস্কেকত

আৰ্মেনিয়াৰ প্ৰধানমন্ত্ৰী নিকোল পাচিনিয়ানক সাক্ষাৎ কৰে। দুয়োজন নেতাই প্ৰতিৰক্ষা, অৰ্থনীতি, ঔষধ, বিজ্ঞান আৰু প্ৰযুক্তি, সংস্কৃতি আৰু শিক্ষাকে ধৰি বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰাৰ বিভিন্ন কৌশল সম্পৰ্কে আলোচনা কৰে। তেওঁলোকে পশ্চিম এছিয়াৰ পৰিস্থিতিকে ধৰি আঞ্চলিক আৰু গোলকীয় ঘটনাপ্ৰবাহৰ বিষয়ে মত বিনিময় কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে বিস্কেকত প্ৰবাসী ভাৰতীয়সকলৰ উষ্ম আদৰণি লাভ কৰে।

উল্লেখযোগ্য যে দুদিনীয়া ভ্ৰমণসূচীৰে কালি কিৰ্গিস্তানত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভ্ৰমণৰ প্ৰথম দিনা বিছকেকত ভাৰতৰ মিত্ৰদেশৰ প্ৰতিনিধিসকলৰ সৈতে মত বিনিময় কৰে। যোগ আৰু মানস একাডেমীকে ধৰি বিভিন্ন খণ্ডত ভাৰতৰ সৈতে কাম কৰি থকা চাৰিখন দেশৰ প্ৰতিনিধি বৈঠকত উপস্থিত থাকে। প্ৰধানমন্ত্ৰী মোদীয়ে আজি বিছকেকৰ মহাত্মা গান্ধী স্মাৰক উদ্যানত মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে।

শ্ৰীমোদীয়ে কিৰ্গিস্তানত আজিৰে পৰা দুদিনীয়াকৈ আয়োজন কৰা ২৬ সংখ্যক ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত ৰাছিয়া, ইৰান, কিৰ্গিস্তান আৰু আৰ্মেনিয়াৰ মুৰব্বীসকলৰ সৈতে বৈঠক অনুষ্ঠিত হ'ব। কাইলৈ সন্মিলনত প্ৰধানমন্ত্ৰী মোদীয়ে ভাষণ দিব। ছাংহাই সহযোগিতা সংস্থাৰ সন্মিলনৰ সুযোগতে প্ৰধানমন্ত্ৰী মোদীয়ে এই সংস্থাৰ কেইবাগৰাকী নেতাৰ সৈতে বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে। এইবাৰ এই সন্মিলনৰ বিষয়বস্তু হৈছে— ছাংহাই সহযোগিতা সংস্থাৰ ২৫ বছৰ ঃ একেলগে বহনক্ষম, শান্তি, উন্নয়ন আৰু সমৃদ্ধিৰ দিশত। এই সন্মিলনত সন্ত্ৰাসবাদ প্ৰতিৰোধ, আঞ্চলিক স্থিৰতা আৰু সীমান্তৰ ইপাৰৰ ভাবুকিৰ ক্ষেত্ৰত সহযোগিতাৰ বিষয়ত অগ্ৰাধিকাৰ দিয়া হ'ব।

০০০০

বস্ত্ৰ আৰু পৰিধান সামগ্ৰী খণ্ড দেশৰ সাংস্কৃতিক ঐতিহ্যৰ কেৱল গুৰুত্বপূৰ্ণ অংশই নহয়, বৰং এই খণ্ডই লক্ষ লক্ষ লোকক জীৱিকাৰ সুবিধা দি আহিছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মত প্ৰকাশ কৰিছে। আজি নতুন দিল্লীৰ যশোভূমিত ৰাষ্ট্ৰীয় ফেশ্বন প্ৰযুক্তি প্ৰতিষ্ঠান, এন আই এফ টিৰ সমাৱৰ্তন অনুষ্ঠানত অংশগ্ৰহণ কৰি দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ এন আই এফ টিৰ ছাত্ৰ-ছাত্ৰীসকলক দেশৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ চানেকি ধৰি ৰখাৰ লগতে গোলকীয় দৃষ্টিভংগী গ্ৰহণ কৰি আগবাঢ়ি যাবলৈ আহ্বান জনায়। ফেশ্বন উদ্যোগত মহিলাসকলৰ ভূমিকা বাঢ়ি অহাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে অনুষ্ঠানত উপস্থিত থকা প্ৰায় ৪ হাজাৰ শিক্ষাৰ্থীৰ ৮৫ শতাংশই ছাত্ৰী। বস্ত্ৰ আৰু ফেশ্বন উদ্যোগত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠা লাভ কৰাৰ ক্ষেত্ৰত ভাৰতৰ অপাৰ সম্ভাৱনা আছে বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে।

তেওঁ শিক্ষাৰ্থীসকলক নিজৰ জ্ঞান, দক্ষতা আৰু সৃজনীশীলতাক দেশৰ পৰম্পৰাগত বস্ত্ৰ ঐতিহ্য আৰু সমসাময়িক বজাৰৰ সৈতে সংযোগ কৰি নতুন প্ৰযুক্তিৰ সহায় লৈ কাম কৰিবলৈ আহ্বান জনায়। শ্ৰীমতী মুৰ্মুৱে দেশৰ ১৮খন এন আই এফ টিৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰা শিক্ষাৰ্থীসকলক ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰি এইদৰে কয়।

তেওঁ লগতে কৃতি শিক্ষাৰ্থীসকলক স্বৰ্ণপদকো প্ৰদান কৰে। শ্ৰীমতী মুৰ্মুৱে নিজৰ ভাষণত ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে বৰঙণি আগবঢ়াবলৈ যুৱ প্ৰজন্মৰ প্ৰতি আহ্বান জনায়। তেওঁ কয় যে শিক্ষাৰ্থীসকলে কেৱল চাকৰিৰ সন্ধানত নাথাকি নিয়োগ প্ৰদানকাৰী আৰু নিয়োগ সৃষ্টিকাৰী হিচাপে নিজক প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰা উচিত।

অনুষ্ঠানত কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিঙে কয় যে ২০০৮ চনত তদানিন্তন ৰাষ্ট্ৰপতি ড° এ পি জে আব্দুল কালামে এন আই এফ টিক সমাৰ্বতনক সম্বোধন কৰিছে আৰু ১৮ বছৰ পাছত আকৌ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শিক্ষাৰ্থীসকলক উৎসাহিত কৰিছে। তেওঁ কয়, যে প্ৰায় ৪ হাজাৰ শিক্ষাৰ্থীয়ে আজি তেওঁলোকৰ আনুষ্ঠানিক ডিগ্ৰীৰ প্ৰমাণপত্ৰ লাভ কৰে। বস্ত্ৰ সচিব তথা নিফটৰ বোৰ্ড অৱ গৱৰ্ণৰৰ অধ্যক্ষ নিলম স্বামী ৰাওৱে কয়, যে বস্ত্ৰ, ফেছন আৰু আৰ্হিৰ বাবে এটা উজ্জীৱিত সময় চলি থকাৰ সময়তে শিক্ষাৰ্থীসকলে স্নাতক হৈছে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত কাইলৈ ১৬ টা প্ৰতিৰক্ষা খণ্ডৰ ৰাজহুৱা উদ্যোগৰ বাৰ্ষিক পাৰদৰ্শিতা পৰ্যালোচনা কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰে যে, এই পৰ্যালোচনাই নতুন থলুৱা প্ৰযুক্তি বিকশাই তোলা আৰু ৰপ্তানি বৃদ্ধিৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰিব। এই পৰ্যালোচনা বৈঠকত ৭ টা ৰাজহুৱা উদ্যোগ হিন্দুস্তান এৰোনটিক্স লিমিটেড, মাজগাওঁ দকচিপ বিল্ডাৰ্ছ লিমিটেড, ভাৰত ইলেকট্ৰনিক্স লিমিটেড, ভাৰত ডাইনেমিক্স লিমিটেড, গাৰ্ডেন ৰিচ চিপ বিল্ডাৰ্ছ এণ্ড ইঞ্জিনিয়াৰ্ছ লিমিটেড বি ই এম এল আৰু মিধানীৰ মুখ্য পৰিচালন সঞ্চালকসকল উপস্থিত থাকিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ প্ৰথমছোৱাত দেশৰ মুঠ ঘৰুৱা উৎপাদন ৭ দশমিক ৮ শতাংশ হোৱাটো অভূতপূৰ্ব সাফল্য বুলি উল্লেখ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে বিশ্বজোৰা অৰ্থনৈতিক অনিশ্চয়তা, খনিজ তেলৰ মূল্যবৃদ্ধি আৰু যোগান শৃংখলালৈ অহা বাধাসত্বেও এই সাফল্য দেশবাসীৰ সামূহিক শক্তি আৰু সহনশীলতাৰ প্ৰতিফলন। ইফালে কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কয়, যে এই সাফল্য দেশবাসীৰ একাগ্ৰতা আৰু পৰিশ্ৰমৰ বাবে সম্ভৱ হৈ উঠিছে। এন ডি এ চৰকাৰে গ্ৰহণ কৰা সংস্কাৰ আৰু গতিশীল অৰ্থনীতিৰ পৰিচালনাৰ বাবেই এই সুফল লাভ কৰাটো সম্ভৱ হৈছে বুলি উল্লেখ কৰি সীতাৰমনে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰ সকলোৰে অৰ্থনৈতিক সুবিধা অধিক সম্প্ৰসাৰিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে শক্তিখণ্ডৰ সহযোগিতাৰ বাবেই ভাৰত আৰু কাটাৰে পাৰস্পৰিকভাৱে সুদৃঢ় অংশীদাৰিত্ব আৰু আন্তৰিক সম্পৰ্ক ৰক্ষা কৰিবলৈ সমৰ্থ হৈছে বুলি মন্তব্য কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত পেট্ৰনেট এল এন জি আৰু কাটাৰ এনাৰ্জীৰ মাজত সম্পন্ন হোৱা চুক্তিৰ প্ৰসংগ উল্লেখ কৰি শ্ৰীপুৰীয়ে কয় যে এই ২০ বছৰীয়া চুক্তিৰ জৰিয়তে ২০২৮ চনৰ পৰা ২০৪৮ চনলৈকে বাৰ্ষিক ৭ দশমিক ৫ নিযুত টনৰো অধিক এল এন জি ভাৰতৰ বাবে সুৰক্ষিত হৈ ৰব। এই চুক্তি দুয়োখন দেশৰ শক্তি অংশীদাৰিত্বৰ ক্ষেত্ৰত এক যুগান্তকাৰী সাফল্য আৰু ভাৰতৰ দীৰ্ঘম্যাদি শক্তি নিৰাপত্তাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হৈ ৰব বুলিও বাৰ্তাটোত তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে কাটাৰত নতুনকৈ নিযুক্তি লাভ কৰা ভাৰতৰ ৰাষ্ট্ৰদূত ড° কে শ্ৰীকৰ ৰেড্ডীৰ সৈতেও হৰদীপ সিং পুৰীয়ে আজি বাৰ্তালাপ কৰে।

০০০০

ভাৰতীয় টেবল টেনিছ খেলুৱৈ অংকুৰ ভট্টাচাৰ্যই চেকিয়াত অনুষ্ঠিত ডব্লিউ টি টি ফীডাৰ টেবল টেনিছ প্ৰতিযোগিতাত ডব্লিউ টি টি পুৰুষৰ খিতাপ অৰ্জন কৰে। ব্যক্তিগত স্তৰত একক খিতাপৰ লগতে তেওঁ সহ খেলুৱৈ

আকাশ পালৰ সৈতে যৌথভাৱে পুৰুষৰ ডাবলছত স্বৰ্ণ পদক লাভ কৰিবলৈ সমৰ্থ হয়। বিশ্বৰ ৭৮ সংখ্যক স্থানৰ খেলুৱৈ অংকুৰে একক শাখাৰ ফাইনেলত তৃতীয় স্থানৰ খেলুৱৈ শ্লোভেনিয়াৰ ডেনী কজুলক ৩-১ৰ ব্যৱধানত পৰাস্ত কৰি এই স্মৰণীয় সফলতা অৰ্জন কৰে। উল্লেখযোগ্য যে ভাৰতীয় খেলুৱৈজনৰ ডব্লিউ টি টি ফীডাৰত এইটোৱেই প্ৰথম একক খিতাপ।

০০০০

ইউ এছ অপেনত ২৪ বাৰৰ গ্ৰেণ্ডশ্লেম বিজয়ী নভাক জক'ভিচে পুৰুষৰ ছিংগলছৰ প্ৰথম ৰাউণ্ডতে পৰাজয় বৰণ কৰি প্ৰতিযোগিতাৰ পৰা বিদায় লৈছে। আৰ্জেণ্টিনাৰ মাৰিয়ানো নাভনে জক'ভিচক ৭-৬, ৫-৭, ৪-৬, ৬-২, ৬-১ ছেটত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। উল্লেখযোগ্য যে ২০০৬ চনৰ অষ্ট্ৰেলিয়ান অপেনৰ পিছৰে পৰা নভাক জকভিচে কোনো এখন গ্ৰেণ্ডশ্লেমৰ প্ৰথমখন খেলত পৰাজিত হোৱা নাছিল। আনহাতে, মহিলাৰ একক শাখাত ভেনাচ উইলিয়ামছেও ইউ এছ অপেনৰ প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈছে। ৪৬ বছৰীয়া আমেৰিকান খেলুৱৈগৰাকীয়ে ছফিয়া কেনিনৰ হাতত ৬-২, ৭-৬ পোনপটীয়া ছেটত পৰাস্ত হয়।

০০০০

জাপানত হ'বলগীয়া এছিয়ান গেমছত অলিম্পিয়ান চি এন ভৱানী দেৱীয়ে ভাৰতৰ ২০ জনীয়া ফেন্সিং দলটোক নেতৃত্ব দিব। কালি ভাৰতীয় ফেন্সিং এছোছিয়েছনে দলটো ঘোষণা কৰিছে। অহা ১৯ ছেপ্তেম্বৰৰ পৰা ৪ অক্টোবৰলৈ জাপানৰ আই চি নাগোয়াত ২০ সংখ্যক এছিয়ান গেমছ অনুষ্ঠিত হ'ব।

০০০০

ঃঃ সমাপ্ত ঃঃ